# ভাৰতৰ উচ্চতম ন্যায়ালয়

লেখ আবেদন নং 29/1950

ৰায় প্ৰদানৰ তাৰিখ : 26 মে, 1950

আবেদনকাৰীঃ ব্ৰিজ ভূষণ আৰু আন এজন

বনাম

প্ৰতিবাদী: দিল্লী ৰাজ্য

বিচাৰপীঠ :

ফজল আলী, ছাইয়িদ

বিচাৰপীঠ :

ফজল আলী, ছাইয়িদ

কানিয়া, হিৰালাল (মুখ্য ন্যায়াধীশ)

শাস্ত্ৰী, এম. পতঞ্জলি

মহাজন, মেহৰ চান্দ

দাস, সুধি ৰঞ্জন

মুখাৰ্জী, বি.কে.

উদ্ধৃতি:

| | | | | | |
|---|---|---|---|---|---|
| 1950 | AIR | 129 | 1950 | SCR | 605 |

উদ্ধৃতিৰ তথ্যঃ:

| | | | | |
|---|---|---|---|---|
| R | 1951 | SC | 270 | (4) |
| RF | 1952 | SC | 329 | (3, 4) |
| RF | 1957 | SC | 620 | (3, 5, 7) |
| RF | 1958 | SC | 578 | (129, 151) |
| F | 1959 | SC | 395 | (13, 40) |
| R | 1960 | SC | 633 | (9) |
| RF | 1962 | SC | 305 | (25) |
| R | 1962 | SC | 955 | (21) |
| MV | 1966 | SC | 740 | (48) |
| RF | 1967 | SC | 1643 | (227) |
| RF | 1971 | SC | 2486 | (8, 13, 14) |
| E | 1973 | SC | 106 | (16) |
| RF | 1986 | SC | 515 | (22, 24, 33, 97) |
| RF | 1989 | SC | 190 | (11) |

**আইনঃ**

ভাৰতৰ সংবিধান, অনুচ্ছেদ 19, দফা (1) (a) আৰু (2)-- বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ মৌলিক অধিকাৰ -- ৰাজহুৱা সুৰক্ষা সুৰক্ষিত কৰাৰ বাবে আৰু ৰাজহুৱা বিশৃঙ্খলা প্ৰতিৰোধ কৰাৰ বাবে বাতৰি কাকতৰ ওপৰত প্ৰাক-চেঞ্চৰশ্বিপ আৰোপ কৰা আইন -- বৈধতা -- বিষয়টোৱে ৰাজহুৱা সুৰক্ষা বিঘ্নিত কৰে বা ৰাজহুৱা বিশৃংখলতাৰ সৃষ্টি কৰে, "ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰে, বা

উফৰাই পেলোৱাৰ প্ৰৱণতা থাকে"-- অনুচ্ছেদ 19, ধাৰা (2)--পূৱ পঞ্জাৱ ৰাজহুৱা সুৰক্ষা আইন, 1949, ধাৰা 7 (1) (c)-বৈধতা।

**মূলটোকা :**

দিল্লী প্ৰদেশলৈ সম্প্ৰসাৰিত কৰা পূৱ পঞ্জাৱ ৰাজহুৱা সুৰক্ষা আইন, 1949-ৰ ধাৰা 7 (1) (c)ত উল্লেখ কৰা হৈছে যে "প্ৰাদেশিক চৰকাৰ বা ইয়াৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত যিকোনো কৰ্তৃপক্ষ, যদি সন্তুষ্ট হয় যে ৰাজহুৱা সুৰক্ষা বা ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বাবে যিকোনো কাৰ্যকলাপ প্ৰতিৰোধ বা প্ৰতিৰোধ কৰাৰ বাবে এনে পদক্ষেপ প্ৰয়োজনীয়, তেন্তে মুদ্ৰক, প্ৰকাশক বা সম্পাদকক সম্বোধন কৰি লিখিতভাৱে কোনো নিৰ্দিষ্ট বিষয় বা শ্ৰেণীৰ বিষয়ৰ সৈতে সম্পৰ্কিত যিকোনো বিষয় প্ৰকাশৰ পূৰ্বে পৰীক্ষাৰ বাবে দাখিল কৰাৰ নিৰ্দেশ দিব পাৰে।"

606

**ন্যা. কানিয়া (মুখ্য ন্যায়াধীশ), ন্যা. পতঞ্জলি শাস্ত্ৰী, ন্যা. মেহৰ চান্দ মহাজন, ন্যা. মুখাৰ্জী আৰু ন্যা. দাস এ মত পোষণ কৰে -- (ন্যা. ফজল আলীয়ে ভিন্নমত পোষণ কৰে):**

ধাৰা 7 (1) (c)ত জনসাধাৰণৰ সুৰক্ষা আৰু জনসাধাৰণৰ ৰক্ষণাবেক্ষণৰ বাবে ক্ষতিকাৰক কাৰ্য্যকলাপ ৰোধ কৰাৰ উদ্দেশ্যে সংবিধানৰ অনুচ্ছেদ 19 (1) (a) দ্বাৰা নিশ্চিত কৰা বাক স্বাধীনতাৰ মৌলিক অধিকাৰৰ ওপৰত বাধা আৰোপ কৰাৰ অনুমোদন দিয়া হৈছে। কিন্তু যিহেতুকে ই 19 নং অনুচ্ছেদৰ দফা (9)ত থকা ব্যতিক্ৰমী বিধানৰ অৰ্থই সামৰি লোৱা "ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰা বা উফৰাই পেলোৱাৰ প্ৰৱণতা থকা বিষয়"ৰ সৈতে জড়িত আইন নহয়, সেয়েহে ই অসাংবিধানিক আৰু অকাৰ্য্যকৰী।

*ৰমেশ থাপ্পৰ বনাম ৰাজ্য ( [1950] S.C.R. 594) অনুসৰি*

**ফজল আলী, ন্যা.**--"ৰাজহুৱা সুৰক্ষা" অভিব্যক্তিটোৱে, এক দীঘলীয়া আইনী অনুশীলনৰ ফলস্বৰূপে এক সু-স্বীকৃত অৰ্থ লাভ কৰিছে আৰু ইয়াক ৰাষ্ট্ৰৰ সুৰক্ষা বা নিৰাপত্তাক বুজাবলৈ ব্যৱহাৰ কৰিব পাৰি; যদিও "ৰাজহুৱা শৃংখলা" অভিব্যক্তিটোৰ অৰ্থৰ পৰিসৰ, সৰু সৰু শান্তি বিঘ্নিত কৰা ঘটনাসমূহ যিয়ে এতিয়াও ৰাষ্ট্ৰৰ নিৰাপত্তাক বিপন্ন নকৰে, সেইসমূহ  সামৰি লব পৰাকৈ যথেষ্ট বহল, আইনখনত জনসাধাৰণৰ সুৰক্ষা প্ৰদান কৰিবলৈ  দিয়া  প্ৰাধান্যই এই কথা  দেখুৱাইছে  যে এই আইনখন হৈছে এক বিশেষ আইনী ব্যৱস্থা আৰু আইনখনৰ লক্ষ্য আৰু পৰিসৰে দৰ্শায় যে জনসাধাৰণৰ সুৰক্ষা সংৰক্ষণেই হৈছে আইনখনৰ প্ৰধান উদ্দেশ্য আৰু এই সন্দৰ্ভত, "ৰাজহুৱা শৃংখলা"ক "ৰাজহুৱা শান্তি" বুলি সৰল কৰিব পাৰি। ৰাজহুৱা বিশৃংখলতা যিয়ে জনসাধাৰণৰ শান্তি বিঘ্নিত কৰে, সি নিঃসন্দেহে ৰাষ্ট্ৰৰ নিৰাপত্তা দুৰ্বল কৰে আৰু যিহেতু বিবাদিত আইনখনৰ ধাৰা 7(1) (c)ৰ লক্ষ্য হৈছে এনে বিশৃংখলতা প্ৰতিৰোধ কৰা, সেয়েহে ই সংবিধানৰ 19 (2) অনুচ্ছেদৰ পৰিসৰৰ বাহিৰত বুলি ধৰি লোৱাটো কঠিন।

**পূৰ্ণপীঠে  মত পোষণ  কৰে:** আলোচনী এখনত প্ৰি-চেন্সৰশ্বিপ জাপি দিয়াটো হৈছে সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত নিষেধাজ্ঞা, যি স্বাধীনতা অনুচ্ছেদ 19 (1)(a)ৰ দ্বাৰা ঘোষণা কৰা বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ এক অপৰিহাৰ্য অংশ।

Blackstone’s Commentaries উল্লেখ কৰা হৈছে ।

**ৰায় :**

মূল ক্ষেত্ৰাধিকাৰ :  আবেদন নং XXIX , 1950 চন। সংবিধানৰ 32 নং অনুচ্ছেদৰ অধীনত writ of prohibition and certiorariৰ বাবে আবেদন। প্ৰাসঙ্গিক তথ্যসমূহ ৰায়ত আলোচনা কৰা হৈছে।

এন. চি. চেটাৰ্জী (বি বেনাৰ্জী, তেওঁৰ সৈতে), আবেদনকাৰী পক্ষৰ হৈ ।

এম. চি. চেটালভাদ, ভাৰতৰ এটৰ্নী জেনেৰেল, (এছ. এম. ছিক্রি, তেওঁৰ সৈতে), প্রতিবাদী পক্ষৰ হৈ ।

1950 চন। 26 মে '। ন্যা. কানিয়া (মুখ্য ন্যায়াধীশ), ন্যা. পতঞ্জলি শাস্ত্রী, ন্যা. মেহৰ চান্দ মহাজন, ন্যা. মুখাৰ্জী আৰু ন্যা. দাসৰ ৰায় ন্যা. পতঞ্জলি শাস্ত্রীৰ দ্বাৰা প্রদান কৰা হৈছে।

ন্যা. ফজল আলীয়ে ভিন্ন মত পোষণ  কৰি এক পৃথক ৰায় প্রদান কৰিছে।

607

**ন্যা. পতঞ্জলি শাস্ত্রী** --এয়া হৈছে সংবিধানৰ  32 নং অনুচ্ছেদৰ অধীনত প্রতিবাদী দিল্লীৰ মুখ্য আয়ুক্তৰ বিৰুদ্ধে writs of certiorari আৰু prohibition জাৰি কৰাৰ বাবে প্রাৰ্থনা কৰি এই আদালতলৈ আবেদন, Organizer নামৰ দিল্লীৰ এখন ইংৰাজী সাপ্তাহিকৰ সন্দৰ্ভত তেওঁ কৰা আদেশৰ বৈধতা পৰীক্ষা আৰু বাতিল কৰাৰ লক্ষ্যৰে আৰু এই আবেদনখনৰ প্রথমজন আবেদনকাৰী হৈছে সাপ্তাহিকখনৰ মুদ্ৰক  আৰু প্ৰকাশক,  আৰু দ্বিতীয়জন সম্পাদক। 1950 চনৰ 2 মাৰ্চত প্রতিবাদীয়ে  পূব পঞ্জাৰ ৰাজহুৱা সুৰক্ষা আইন, 1949, যিখন দিল্লী প্রদেশলৈ সম্প্রসাৰিত কৰা হৈছে আৰু যিখনক পৰৱৰ্তী পৰ্য্যায়ত বিবাদিত আইন বুলি উল্লেখ কৰা হব, সেইখন আইনৰ  7 (1) (c) ধাৰাৰ দ্বাৰা তেওঁক প্রদান কৰা ক্ষমতা প্রয়োগ কৰি নিম্নলিখিত নিৰ্দেশ জাৰি কৰিছিল :

"দিল্লীৰ মুখ্য আয়ুক্তৰ মতে দিল্লীৰ ইংৰাজী সাপ্তাহিক কাকত 'অৰ্গেনাইজাৰ' এ ৰাজহুৱা আইন-শৃংখলাৰ প্রতি ভাবুকি কঢ়িয়াই অনা অতি আপত্তিজনক বিষয় প্রকাশ কৰি আহিছে। গতিকে জনসাধাৰণৰ সুৰক্ষাৰ ক্ষতি কৰিব পৰা বা জনশৃংখলা বিঘ্নিত কৰিব পৰা কাৰ্য্যকলাপ প্রতিৰোধ বা সমাধানৰ বাবে তলত বৰ্ণনা কৰা ধৰণে কিছুমান কাৰ্য্যৰ প্রয়োজন।

দিল্লীৰ ক্ষেত্রত প্রযোজ্য পূব পঞ্জাৱ ৰাজহুৱা সুৰক্ষা আইন, 1949-ৰ ধাৰা 7(1)(c)ৰ দ্বাৰা প্রদান কৰা কর্তৃত্বৰ অধীনত মই, দিল্লীৰ মুখ্য আয়ুক্ত শ্রী শংকৰ প্রসাদে, ইয়াৰ দ্বাৰা এক আদেশ জাৰি কৰিছো, যিটো আদেশ অনুসৰি ওপৰত উল্লেখিত বাতৰি কাকতৰ মুদ্রক আৰু প্রকাশক শ্রী ব্রিজ ভূষণ আৰু সম্পাদক শ্রী কে আৰ হালকানি দুয়োজনে প্রকাশৰ পূর্বে পৰীক্ষাৰ বাবে সকলো সাম্প্রদায়িক বিষয়বস্তু আৰু পাকিস্তানৰ সৈতে জড়িত বাতৰিৰ সকলো সমলৰ দুটাকৈ প্রতিলিপি দাখিল কৰিব লাগিব, যাৰ ভিতৰত আছে চৰকাৰী উৎস অথবা প্রেছ ট্রাষ্ট অফ ইণ্ডিয়া, ইউনাইটেড প্রেছ অফ ইণ্ডিয়া আৰু ইউনাইটেড প্রেছ অফ আমেৰিকাৰ দৰে নির্দিষ্ট সংবাদ সংস্থাৰ দ্বাৰা প্রদান কৰা সমলৰ বাহিৰে অন্য উৎসৰ পৰা আহৰণ কৰা ফটো আৰু কার্টুন আৰু এই বাধ্যবাধকতা পৰৱর্তী জাননী নিদিয়ালৈকে প্রযোজ্য হৈ থাকিব। সকলো সমল প্রাদেশিক প্রেছ বিষয়াক বা তেওঁৰ অনুপস্থিতিত প্রেছ শাখাৰ অধীক্ষকক দিল্লীৰ 5, আলিপুৰ ৰোড, চিভিল লাইনছত অৱস্থিত তেওঁৰ কার্যালয়ত কার্য্যালয় খোলা থকা দিনত, ৰাতিপুৱা 10 বজাৰ পৰা বিয়লি 5 বজাৰ ভিতৰত দাখিল কৰিব লাগিব।"

আমাৰ সন্মুখত বিবেচনাৰ বাবে উত্থাপন কৰা একমাত্র বিষয়টো হৈছে বিবাদিত আইনখনৰ ধাৰা 7 (1) (c)ৰ সাংবিধানিক বৈধতা। আইনখনৰ প্রস্তাৱনাত উল্লেখ কৰা অনুসৰি এই আইনখন, "ৰাজহুৱা সুৰক্ষা আৰু ৰাজহুৱা শৃংখলা বজাই ৰখা নিশ্চিত কৰাৰ বাবে বিশেষ ব্যৱস্থা প্রদান কৰিবলৈ" গৃহীত কৰা হৈছে।

608

ধাৰা 7(1)(c), যিটো হৈছে ওপৰত উল্লেখ কৰা আদেশটোৰ ভিত্তি, তলত দিয়া ধৰণে লিখা হৈছে (কেৱল প্রাসঙ্গিক অংশ):--

"প্ৰাদেশিক চৰকাৰ বা ইয়াৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত যিকোনো কৰ্তৃপক্ষ, যদি সন্তুষ্ট হয় যে ৰাজহুৱা সুৰক্ষা বা ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বাবে যিকোনো কাৰ্যকলাপ প্ৰতিৰোধ বা প্ৰতিৰোধ কৰাৰ বাবে এনে পদক্ষেপ প্ৰয়োজনীয়, তেন্তে মুদ্ৰক, প্ৰকাশক বা সম্পাদকক সম্বোধন কৰি লিখিতভাৱে কোনো নিৰ্দিষ্ট বিষয় বা শ্ৰেণীৰ বিষয়ৰ সৈতে সম্পৰ্কিত যিকোনো বিষয় প্ৰকাশৰ পূৰ্বে পৰীক্ষাৰ বাবে দাখিল কৰাৰ নিৰ্দেশ দিব পাৰে।"

আৱেদনকাৰীসকলে দাবী কৰে যে এই ব্যৱস্থাই সংবিধানৰ অনুচ্ছেদ 19 (1) (a)ৰ দ্বাৰা তেওঁলোকক প্ৰদান কৰা বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ মৌলিক অধিকাৰ উলংঘা কৰে, কিয়নো ই আলোচনীখনৰ প্ৰকাশৰ ওপৰত প্ৰতিবন্ধকতা আৰোপ কৰাৰ অনুমোদন দিয়ে যিটো সেই অনুচ্ছেদৰ ধাৰা (2)ৰ অধীনত ন্যায়সঙ্গত নহয়।

ইয়াত  অকণো সন্দেহৰ অৱকাশ  নাই যে আলোচনী এখনৰ ওপৰত প্ৰিচেঞ্চৰশ্বিপ আৰোপ কৰাটো সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত এক প্ৰতিবন্ধকতা, যি স্বাধীনতা অনুচ্ছেদ 19 (1)(a)ৰ দ্বাৰা ঘোষণা কৰা বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰৰ এক অপৰিহাৰ্য অংশ। যিদৰে ব্লেকষ্টোনে তেওঁৰ মন্তব্যলানিত আঙুলিয়াই দিছিল," সংবাদ মাধ্যমৰ স্বাধীনতাই কোনো বিষয়বস্তুৰ প্ৰকাশৰ ওপৰত কোনো ধৰণৰ আগতীয়া বাধা আৰোপ নকৰাক  বুজায়, বেআইনী সমল বা অপৰাধমূলক বিষয়বস্তু প্ৰকাশ কৰাৰ বাবে হোৱা সমালোচনা বা আইনী পৰিণতিৰ পৰা ৰক্ষা পোৱাক নুবুজায়। প্ৰতিজন মুক্ত ব্যক্তিৰ নিঃসন্দেহে তেওঁ জনসাধাৰণৰ সৈতে ভাগ বতৰা কৰিব বিচৰা যিকোনো চিন্তা বা মতামত প্ৰকাশ কৰাৰ অধিকাৰ আছে ; ইয়াক নিষিদ্ধ কৰা মানে  সংবাদ মাধ্যমৰ স্বাধীনতা ধ্বংস কৰা (1)। সেয়েহে একমাত্ৰ প্ৰশ্নটো হ'ল এনে নিষেধাজ্ঞা আৰোপ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰা ধাৰা 7 (1) (c) অনুচ্ছেদ 19ৰ দফা (2) ৰ সংৰক্ষণৰ ভিতৰত পৰে নেকি ?

যিহেতু এই প্ৰশ্নটো মূলতঃ সেই বিবেচনাসমূহৰ সৈতে একে যিবোৰৰ ওপৰত ভিত্তি কৰি আমি আৱেদন নং XVI/1950(2) ত সিদ্ধান্ত লৈছিলোঁ, সেয়েহে সেই ক্ষেত্ৰত প্ৰদান কৰা আমাৰ ৰায়টোৱে বৰ্তমানৰ গোচৰটোও সমাপ্ত কৰে।

(1) Blackstone's Commentaries, Vol. IV, pp. 151, 152.

(2) Romesh Thappar v. The State of Madras, supra p. 594.

609

**ফজল আলী, ন্যা.**-- এই গোচৰত উত্থাপিত প্ৰশ্নটো পূব পঞ্জাব ৰাজহুৱা সুৰক্ষা আইন, 1949 (দিল্লী প্ৰদেশলৈ সম্প্ৰসাৰিত কৰা) 'ধাৰা 7 (1) (c)ৰ বৈধতাৰ সৈতে জড়িত, যাক নিম্নলিখিত ধৰণে বৰ্ণনা কৰা হৈছে :

"প্ৰাদেশিক চৰকাৰ বা ইয়াৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত যিকোনো কৰ্তৃপক্ষ, যদি সন্তুষ্ট হয় যে ৰাজহুৱা সুৰক্ষা বা ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বাবে যিকোনো কাৰ্যকলাপ প্ৰতিৰোধ বা প্ৰতিৰোধ কৰাৰ বাবে এনে পদক্ষেপ প্ৰয়োজনীয়, তেন্তে মুদ্ৰক, প্ৰকাশক বা সম্পাদকক সম্বোধন কৰি লিখিতভাৱে কোনো নিৰ্দিষ্ট বিষয় বা শ্ৰেণীৰ বিষয়ৰ সৈতে সম্পৰ্কিত যিকোনো বিষয় প্ৰকাশৰ পূৰ্বে পৰীক্ষাৰ বাবে দাখিল কৰাৰ নিৰ্দেশ দিব পাৰে।"

মন কৰিবলগীয়া যে উপ-দফা (c)ৰ বিধানসমূহ সাধাৰণভাৱে নহয় বৰঞ্চ কোনো "বিশেষ বিষয় বা বিষয়ৰ শ্ৰেণী"ৰ মাজতে সীমাবদ্ধ, আৰু এই শব্দবোৰ ব্যৱহাৰ কৰা প্ৰসংগৰ প্ৰতি লক্ষ্য ৰাখি, সেইবোৰ হ'ব লাগিব "ৰাজহুৱা সুৰক্ষা বা ৰাজহুৱা শৃংখলা বজাই ৰখা"ৰ সৈতে জড়িত।

যিসকল আৱেদনকাৰীৰ হৈ এই বিধানক প্ৰত্যাহ্বান জনোৱা হৈছে, তেওঁলোক হৈছে ক্ৰমে দিল্লীৰ 'অৰ্গেনাইজাৰ' নামৰ ইংৰাজী সাপ্তাহিক কাকতখনৰ মুদ্ৰক (আৰু প্ৰকাশক) আৰু সম্পাদক, আৰু তেওঁলোকে দিল্লীৰ মুখ্য আয়ুক্তৰ বিৰুদ্ধে writs of certiorari আৰু prohibition প্ৰদানৰ বাবে প্ৰাৰ্থনা কৰি আবেদন কৰে বিবাদিত ধাৰাটোৰ অধীনত 1950 চনৰ 2 মাৰ্চত তেওঁ

দিয়া আদেশৰ বৈধতা পৰীক্ষা আৰু পৰ্যালোচনা কৰা  আৰু আদেশৰ "কাৰ্য্যকৰীতাক নিয়ন্ত্ৰণ কৰা" আৰু বাতিল কৰাৰ লক্ষ্যৰে , যিটো  আদেশ অনুসৰি তেওঁলোকে প্ৰকাশৰ পূৰ্বে পৰীক্ষাৰ বাবে সকলো সাম্প্ৰদায়িক বিষয়বস্তু আৰু পাকিস্তানৰ সৈতে জড়িত বাতৰিৰ  সকলো সমলৰ দুটাকৈ প্ৰতিলিপি দাখিল কৰিব লাগিব, যাৰ ভিতৰত আছে চৰকাৰী উৎস অথবা প্ৰেছ ট্ৰাষ্ট অফ ইণ্ডিয়া, ইউনাইটেড প্ৰেছ অফ ইণ্ডিয়া আৰু ইউনাইটেড প্ৰেছ অফ আমেৰিকাৰ দৰে নিৰ্দিষ্ট সংবাদ সংস্থাৰ দ্বাৰা প্ৰদান কৰা সমলৰ বাহিৰে অন্য উৎসৰ পৰা আহৰণ কৰা ফটো আৰু কাৰ্টুন আৰু এই বাধ্যবাধকতা পৰৱৰ্তী জাননী নিদিয়ালৈকে প্ৰযোজ্য হৈ থাকিব। . . .” প্ৰশ্ন উত্থাপিত হোৱা আদেশটোত অন্যান্য বিষয়ৰ লগতে উল্লেখ কৰা হৈছে যে মুখ্য আয়ুক্তৰ মতে  Organizer নামৰ কাকতখনে  ৰাজহুৱা আইন আৰু শৃংখলাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা অতি আপত্তিজনক বিষয়বস্তু প্ৰকাশ কৰি আহিছে আৰু উল্লেখিত পদক্ষেপটো ৰাজহুৱা সুৰক্ষা বা ৰাজহুৱা শৃংখলাৰ প্ৰতি ক্ষতিকাৰক কাৰ্যকলাপ প্ৰতিৰোধ বা প্ৰতিহত কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় ।

610

আৱেদনকাৰীসকলৰ হৈ এইটো দাবী কৰা হয় যে উল্লেখ কৰা তথ্য স্বত্বেও, তেওঁলোকে প্ৰত্যাহ্বান জনোৱা আদেশটো বাতিল কৰা উচিত কাৰণ ইয়াৰ দ্বাৰা সংবিধানৰ 19 (1) (a) অনুচ্ছেদেৰে সুৰক্ষিত বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ খৰ্ব কৰা হৈছে। অনুচ্ছেদ নং  19(1)(a) আৰু (2) যি সমূহ একেলগে বিবেচনা কৰা উচিত, নিম্নলিখিত ধৰণে বৰ্ণনা  কৰা হৈছে :--

19. (1) সকলো নাগৰিকৰ (a) বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ থাকিব।

*   *   *   *

(2) দফা (1) ৰ উপ-দফা (a) ৰ কোনো কথাই বৰ্তমানে বলবৎ হৈ থকা কোনো আইনৰ কাৰ্য্যকলাপত প্ৰভাৱ পেলাব নোৱাৰিব যিমানদূৰলৈকে সেই আইন নিন্দা, মানহানি, অপবাদ , আদালত অৱমাননা, শালীনতা, নৈতিকতা উলংঘা কৰা বা ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা সম্পৰ্কীয় বিষয়ৰ লগত জড়িত তথা এই বিষয়সমূহৰ সৈতে জড়িত আইন সৃষ্টি কৰাত চৰকাৰক বাধা নিদিয়ে।

এইবুলি যুক্তি দৰ্শোৱা হৈছে যে বিবাদিত আদেশৰ ভিত্তি আইনখনৰ ধাৰা 7 (1)(c) ক সংবিধানৰ 19 নং অনুচ্ছেদৰ দফা (2)ৰ দ্বাৰা ন্যায্যতা প্ৰদান কৰিব নোৱাৰি, কাৰণ ই ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বা ৰাষ্ট্ৰক উফৰাই পেলোৱাৰ লক্ষ্য লোৱা কোনো বিষয়ৰ সৈতে জড়িত নহয়। এনেদৰে প্ৰত্যাহ্বান জনোৱাৰ মুখ্য ভিত্তি হৈছে যে বিবাদিত আইনখনে এক মৌলিক অধিকাৰ উলংঘা কৰে আৰু সংবিধানৰ উল্লেখ কৰা দফাটোৱে আইনখনক ন্যায্যতা প্ৰদান নকৰে।

ইয়াত কোনো সন্দেহ নাই যে এখন আলোচনীত প্ৰাক-চেঞ্চৰশ্বিপ আৰোপ কৰাটো, যিদৰে এই গোচৰৰ ক্ষেত্ৰটো মুখ্য আয়ুক্তৰ দ্বাৰা নিৰ্দেশ দিয়া হৈছে, সেইটো সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত এক প্ৰতিবন্ধকতা, যি স্বাধীনতাক সংবিধানৰ অনুচ্ছেদ 19 (1) (a)ৰ দ্বাৰা নিশ্চিত কৰা বাক স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ হিচাবে অন্তৰ্ভুক্ত কৰা হৈছে, আৰু সেয়েহে আমি সিদ্ধান্ত ল'ব লগা একমাত্ৰ প্ৰশ্নটো হ'ল অনুচ্ছেদ 19 ৰ ধাৰা (2)ই আবেদনকাৰীসকলৰ গোচৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে নেকি । ভাৰত চৰকাৰ আইন, 1935-ৰ ধাৰা নং 100-ই প্ৰদান কৰা ক্ষমতা ব্যৱহাৰ কৰি প্ৰাদেশিক বিধানসভাই পূব পঞ্জাৱ ৰাজহুৱা সুৰক্ষা আইন,1949, গৃহীত কৰিছিল আৰু ধাৰা নং 7 এই আইনখনৰ এটা অংশ আৰু আইনখন সংবিধানৰ সপ্তম অনুসূচীৰ দ্বিতীয় তালিকাৰ প্ৰবৃষ্টি

নং 1-ৰ সৈতে সংগতি ৰাখি প্ৰণয়ন কৰা হৈছে , য'ত অন্যান্য বিষয়ৰ লগতে "ৰাজহুৱা শৃংখলা" বিষয়টো অন্তৰ্ভুক্ত হৈ আছে।

611

সাধাৰণ অৰ্থত এই অভিব্যক্তিটোৱে প্ৰদেশখনত আইন - শৃংখলা বজাই ৰখাৰ কথা উল্লেখ কৰিছে বুলি ধৰিব পাৰি আৰু এই কথা 2 নং তালিকাৰ 2 নং প্ৰবৃষ্টিত বন্ধনীৰ ভিতৰত ৰখা শব্দবোৰে নিশ্চিত কৰে, যি হৈছে, "অসামৰিক কৰ্তৃপক্ষক সহায় কৰিবলৈ নৌসেনা, সামৰিক বাহিনী, বায়ুসেনা বা আন কোনো কেন্দ্ৰীয় সশস্ত্ৰ বাহিনী ব্যৱহাৰ কৰাটো বাদ দিয়া হৈছে।" এইটো স্পষ্ট যে ৰাজ্য বা প্ৰদেশৰ ভিতৰত ৰাজহুৱা শান্তি প্ৰভাৱিত কৰা যিকোনো বস্তুৱে ৰাজহুৱা শৃংখলাকো প্ৰভাৱিত কৰিব আৰু সেয়েহে ৰাজ্যিক বিধানসভা ৰাজহুৱা শান্তি আৰু ৰাজহুৱা শৃংখলাৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰত আইন প্ৰণয়ন কৰিবলৈ যোগ্য। এই সন্দৰ্ভত কোনো বিতৰ্ক নাই যে ভাৰত চৰকাৰ আইন, 1935 (যাৰ আধাৰত বিবাদিত আইনখন গৃহীত হৈছিল)ৰ অধীনত প্ৰতিখন প্ৰদেশৰ এয়া কৰ্তব্য যে যিকোনো আভ্যন্তৰীণ সমস্যা যিমানেই ডাঙৰ নহওক কিয়, চম্ভালিব লাগে আৰু প্ৰদেশৰ সীমাৰ ভিতৰত শান্তি আৰু শৃংখলা বজাই ৰাখিব লাগে।

এই পৰ্যায়ত, আন এটা অভিব্যক্তি "ৰাজহুৱা সুৰক্ষা"ৰ অৰ্থ বিবেচনা কৰাটো সুবিধাজনক হ'ব যাক সমগ্ৰ বিবাদিত আইনখনতে ব্যৱহাৰ কৰা হৈছে আৰু যাক ইয়াৰ শিৰোনামৰ বাবেও ইয়াৰ প্ৰণয়ণকাৰীসকলে বাছনি কৰিছে। এই অভিব্যক্তিটো যদিও বিভিন্ন প্ৰসংগত বিভিন্ন ধৰণে ব্যৱহাৰ কৰা হৈছে (ভাৰতীয় দণ্ডবিধিৰ চতুৰ্দশ অধ্যায় চাওক), দীঘলীয়া আইনী অনুশীলনৰ ফলশ্ৰুতিত এতিয়া বিবাদিত আইনখনৰ দৰে আইন এখনৰ সম্পৰ্কত ই এক সুস্বীকৃত অৰ্থ লাভ কৰিছে, আৰু অভিব্যক্তিটোক ৰাষ্ট্ৰৰ সুৰক্ষা বা নিৰাপত্তাক বুজায় বুলি ধৰিব পাৰি। এই অৰ্থত ইয়াক ডিফেন্স অৱ দ্য ৰিয়েলম (কনচলিডেচন) এক্ট,

1914ৰ লগতে ডিফেন্স অৱ ইণ্ডিয়া এক্টত ব্যৱহাৰ কৰা হৈছিল আৰু এইদৰেই ইয়াৰ ন্যায়িকভাৱে ব্যাখ্যা কৰা হৈছিল ৰেক্স বনাম গৱৰ্ণৰ অৱ ৱৰ্মউড স্ক্ৰাবছ কাৰাগাৰৰ গোচৰত (1)। এই গোচৰটোৰ মূলটোকা এনেদৰে লিখা হৈছিল –

“ডিফেন্স অৱ দ্য ৰিয়েলম (কনচলিডেচন) এক্ট, 1914ৰ ধাৰা নং 1-ৰ দ্বাৰা ‘বৰ্তমানৰ যুদ্ধ অব্যাহত থকাৰ সময়ত কাউন্সিলত মহামহিমক ৰাজহুৱা সুৰক্ষা আৰু ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা সুৰক্ষিত কৰাৰ বাবে নিয়মাৱলী জাৰী কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছিল’

(1) [1920] 2 K.B. 305.



এই মত পোষণ কৰা হৈছিল যে ইয়াৰ দ্বাৰা অনুমোদিত নিয়মসমূহ কেৱল বিদেশী শত্ৰুৰ পৰা দেশখনক সুৰক্ষা প্ৰদানৰ নিয়মতে সীমাবদ্ধ নাছিল, বৰঞ্চ আভ্যন্তৰীণ বিশৃংখলতা আৰু বিদ্ৰোহ প্ৰতিৰোধৰ বাবে প্ৰণয়ণ কৰা নিয়মসমূহো ইয়াৰ অন্তৰ্ভুক্ত কৰা হৈছিল।“

গতিকে, "ৰাজহুৱা শৃংখলা" আৰু "ৰাজহুৱা সুৰক্ষা" ওতঃপ্ৰোতভাৱে সম্পৰ্কিত ধাৰণা। অৱশ্যে, তেওঁলোকৰ সম্পৰ্কক ভালদৰে বুজিবলৈ হ'লে তেওঁলোকৰ বিপৰীত দিশবোৰৰ ওপৰত গুৰুত্ব দিয়াটো সহায়ক হ'ব, যাক আমি সুবিধাজনকভাৱে "ৰাজহুৱা বিশৃংখলতা" আৰু "ৰাজহুৱা অসুৰক্ষিততা" বুলি ক'ব পাৰো। যদি আমি দেখাৰ দৰে 'ৰাজহুৱা সুৰক্ষা' 'ৰাষ্ট্ৰৰ নিৰাপত্তা'ৰ সমতুল্য হয়, তেন্তে মই যিটোক ৰাজহুৱা অসুৰক্ষা বুলি নিৰ্ধাৰণ কৰিছো, সেইটোক ‘ৰাষ্ট্ৰৰ নিৰাপত্তাহীনতা’ৰ সমতুল্য বুলি গণ্য কৰিব পৰা যায়। যেতিয়া আমি বিষয়টোৰ প্ৰতি এইদৰে দৃষ্টি নিক্ষেপ কৰোঁ, তেতিয়া আমি দেখিবলৈ পাওঁ যে ‘ৰাজহুৱা বিশৃংখলতা’ৰ পৰিসৰ যথেষ্ট বহল যিয়ে সৰু দাঙ্গা বা কাজিয়া আৰু অন্যান্য ক্ষেত্ৰ য’ত সৰু গোটৰ ব্যক্তিৰ দ্বাৰা শান্তি বিঘ্নিত হয়, বা প্ৰভাৱিত হয়, সেই সকলোবোৰ সামৰি লয়। অন্যহাতেদি, 'ৰাজহুৱা অসুৰক্ষা' (বা ৰাষ্ট্ৰৰ

নিৰাপত্তাহীনতা) সাধাৰণতে ৰাষ্ট্ৰৰ সামগ্ৰিক নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা গুৰুতৰ আভ্যন্তৰীণ বিকাৰ আৰু অশান্তি ।

আইনখনৰ পৰিসৰ বুজিবলৈ, মন কৰিব লাগিব যে আইনখনত "ৰাজহুৱা শৃংখলা বজাই ৰখা" কথাটোৰ উল্লেখ সদায়ে "ৰাজহুৱা সুৰক্ষা"ৰ সৈতে কৰা হৈছে, আৰু আইনখনৰ শিৰোনামেই হৈছে "পূব পঞ্জাব ৰাজহুৱা সুৰক্ষা আইন"। এনেদৰে 'ৰাজহুৱা সুৰক্ষা'ক দিয়া গুৰুত্বই দৃঢ়ভাৱে সূচায় যে এই আইনখনৰ উদ্দেশ্য আছিল ৰাজহুৱা বিশৃংখলতাৰ গুৰুতৰ ঘটনাৰ মোকাবিলা কৰা যিয়ে ৰাজহুৱা সুৰক্ষা বা ৰাষ্ট্ৰৰ নিৰাপত্তাক প্ৰভাৱিত কৰে, অথবা এনেবোৰ ঘটনা মোকাবিলা কৰা য'ত কোনো ধৰণৰ জৰুৰীকালীন বা গুৰুতৰ পৰিস্থিতিৰ বাবে তুলনামূলকভাৱে সৰু মাত্ৰাৰ ৰাজহুৱা বিশৃংখলতাইও ৰাষ্ট্ৰৰ নিৰাপত্তাৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। মন কৰিবলগীয়া কথা এয়ে যে এই আইনখনে "ৰাজহুৱা সুৰক্ষা আৰু ৰাজহুৱা শৃংখলা বজাই ৰখা নিশ্চিত কৰাৰ বাবে বিশেষ ব্যৱস্থা" প্ৰদান কৰিব বিচাৰে। "বিশেষ ব্যৱস্থা" শব্দাৱলী যথেষ্ট গুৰুত্বপূৰ্ণ, কিয়নো সেইবোৰে দেখুৱায় যে আইনখন সাধাৰণ ঘটনা বা সাধাৰণ পৰিস্থিতিৰ উদ্দেশ্যে কৰা হোৱা নাছিল। সাধাৰণ গোচৰসমূহৰ ব্যৱস্থা দণ্ডবিধি আৰু অন্যান্য বৰ্তমানৰ আইনসমূহৰ দ্বাৰা কৰা হৈছে, আৰু এইবোৰৰ সৈতে অস্থায়ী আইন বুলি কোৱা আইনখন আপাত দৃষ্টিত জড়িত নহয়।

613

ই বিশেষ ব্যৱস্থাৰ সৈতে জড়িত যিবোৰ বিশেষ ক্ষেত্ৰত বা বিশেষ পৰিস্থিতিৰ বাবে প্ৰয়োজনীয় হ'ব বুলি আনুমানিক ভাৱে ধৰি লব পাৰি। এই গুৰুত্বপূৰ্ণ সত্যটো বুজি পোৱাৰ পিছত, আইনখনক সঠিক দৃষ্টিভংগীৰে চালে যুক্তি-তৰ্কৰ কালছোৱাত সৃষ্টি হোৱা বেছিভাগ বিভ্ৰান্তি নাইকিয়া হ'ব। আবেদনকাৰীসকলৰ হৈ উত্থাপন কৰা যুক্তি হ'ল যে যিহেতু আইনখন গৃহীত হৈছে ভাৰত চৰকাৰ আইনত ব্যৱহৃত "ৰাজহুৱা শৃংখলা" অভিব্যক্তিৰ দ্বাৰা প্ৰদান কৰা কৰ্তৃত্ব প্ৰয়োগ

কৰি, যিটো হৈছে বহল অৰ্থ  বহন কৰা এক  সাধাৰণ  শব্দ আৰু যিহেতু ই ৰাজহুৱা শৃংখলা বজায়  ৰখাৰ ব্যৱস্থা কৰে, গতিকে ইয়াৰ বিধানসমূহ সকলোধৰণৰ ৰাজহুৱা শৃংখলা উলংঘনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ উদ্দেশ্যে বা ব্যৱহাৰ কৰিবলৈ দায়বদ্ধ, সেয়া সৰু বা গুৰুত্বহীন উলংঘন হওক বা গুৰুতৰ প্ৰকৃতিৰ উলংঘন হওক। মোৰ দৃষ্টিত এয়া এক ভুল দৃষ্টিভঙ্গীৰে গোচৰতো অনুধাৱন কৰা। এই আইনখন হৈছে বিশেষ ব্যৱস্থাৰ বাবে প্ৰনয়ণ  কৰা এক বিশেষ আইন আৰু ইয়াত আধিপত্য বিস্তাৰ কৰা কেন্দ্ৰীয় ধাৰণাটো হৈছে বিশেষ ব্যৱস্থাৰ প্ৰয়োজন হোৱা পৰিস্থিতিত জনসাধাৰণৰ মাজত সুৰক্ষা আৰু শৃংখলা বজাই ৰখা।

যুক্তি দিয়া হৈছে যে আইনখনত "ৰাজহুৱা সুৰক্ষা" আৰু "ৰাজহুৱা শৃংখলা বজাই ৰখা" এই  দুয়োটা  কথাক বিচ্ছিন্নভাৱে ব্যৱহাৰ কৰা হৈছে তথা  এই দুয়োটা  কথাক "বা" শব্দটোৰে  পৃথক কৰা হৈছে , "আৰু" শব্দটোৰে নহয়, আৰু সেয়েহে আমি আইনখনে সাধাৰণৰ লগতে গুৰুতৰ, দুয়োধৰণৰ ৰাজহুৱা শৃংখলা আৰু শান্তিৰ বিঘিনিৰ ঘটনাৰ ব্যৱস্থা কৰা সম্ভাৱনাক নুই কৰিব নোৱাৰো। এইটো, মই ইতিমধ্যে ইংগিত দিয়াৰ দৰে, প্ৰশ্নটোৰ কিছু সংকীৰ্ণ আৰু কাৰিকৰী দৃষ্টিভংগী। আইনখনৰ ব্যাখ্যা কৰোঁতে আমি ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য বুজিবলৈ চেষ্টা কৰিব লাগিব, আৰু আইনখনক অবৈধ বুলি ঘোষণা কৰাৰ আগতে, আমি চাব লাগিব যে  ইয়াক ভাৱে এনেধৰণে ব্যাখ্যা কৰিব পাৰি নেকি  যি ইয়াৰ বৈধতাৰ সৈতে সামঞ্জস্যপূৰ্ণ  হয় আৰু এক যুক্তিসঙ্গত অৰ্থ বজাই ৰাখে। সেয়েহে আমি এই সত্যটো উপেক্ষা কৰিব নোৱাৰো যে ৰাজহুৱা সুৰক্ষা সংৰক্ষণেই এই আইনখনৰ মুখ্য উদ্দেশ্য আৰু ই হৈছে এক বিশেষ আইন যিয়ে বিশেষ ব্যৱস্থা প্ৰদান কৰে আৰু সেয়েহে এই আইনখনক সাধাৰণ পৰিস্থিতি আৰু ৰাজহুৱা শৃংখলা ভংগৰ যিকোনো আৰু প্ৰতিটো তুচ্ছ ঘটনাৰ সৈতে প্ৰযোজ্য আইনৰ সৈতে বিভ্ৰান্ত কৰিব নালাগে।

মোৰ দৃষ্টিত, "বা" শব্দটো এই সন্দৰ্ভত দুটা সম্পূৰ্ণ সুকীয়া ধাৰণাক স্পষ্টভাৱে পৃথক কৰিবলৈ নহয় বৰঞ্চ এই ধাৰণাবোৰ যে ঘনিষ্ঠভাৱে জড়িত আৰু প্ৰদত্ত প্ৰসংগত প্ৰায় সলনা-সলনিকৈ ব্যৱহাৰ কৰিব পাৰি, সেই কথা বুজাবলৈহে ব্যৱহাৰ কৰা হৈছে। মই ভাবো যে এই প্ৰসংগত "ৰাজহুৱা শৃংখলা"ক "ৰাজহুৱা শান্তি"ৰ সমাৰ্থক বুলি ব্যাখ্যা কৰা সম্ভৱ, আৰু "ৰাজহুৱা সুৰক্ষা" আৰু "ৰাজহুৱা শৃংখলা"ক "ৰাষ্ট্ৰৰ নিৰাপত্তা" আৰু "ৰাজহুৱা শান্তি"ৰ সমতুল্য বুলি বিবেচনা কৰা সম্ভৱ।

মই এতিয়া 19 নং অনুচ্ছেদৰ দফা (2) পুনৰ বিবেচনা কৰিম আৰু " ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰা বা উফৰাই পেলোৱাৰ প্ৰৱণতা থকা বিষয় " বাক্যাংশটো অন্তৰ্ভুক্ত কৰাৰ আঁৰৰ যুক্তি কি বুলি মই বিশ্বাস কৰোঁ সেই বিষয়ে ব্যাখ্যা কৰিম। সকলো আইন ব্যৱস্থাতে এই কথাটোক ভালদৰে স্বীকৃতি দিয়া হৈছে যে বাক আৰু মত প্ৰকাশৰ স্বাধীনতা বা সংবাদ মাধ্যমৰ স্বাধীনতাৰ অধিকাৰৰ অৰ্থ হল যিকোনো ব্যক্তিয়ে নিজৰ ইচ্ছামতে লিখিব বা ক'ব পাৰে যেতিয়ালৈকে তেওঁ মানহানি বা নিন্দা বা তাৰ লগত জড়িত আইন উলংঘা নকৰে অথবা ঈশ্বৰ নিন্দামূলক, অশ্লীল বা দেশদ্ৰোহীতামূলক শব্দ বা লিখনী নিলিখে : (হালচবাৰীৰ ইংলেণ্ডৰ আইন, দ্বিতীয় সংস্কৰণ, ভলিউম 2, পৃষ্ঠা 391 চাওক)। কাৰ্যতঃ 19 নং অনুচ্ছেদৰ দফা (2)ত এই কথাই কোৱা হৈছে, পাৰ্থক্য মাথোঁ এয়ে যে সংবিধানৰ প্ৰণয়নকাৰীসকলে "দেশদ্ৰোহৰ সৈতে জড়িত আইন" শব্দটো ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে ওপৰত উল্লেখ কৰা শব্দসমূহ ব্যৱহাৰ কৰিছে। মন কৰিবলগীয়া কথাটো হ'ল যে সংবিধানৰ মূল খচৰাত দেশদ্ৰোহৰ কথা উল্লেখ কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত সেই শব্দটো বাদ দিয়া হৈছিল আৰু মই উদ্ধৃত কৰা শব্দবোৰ সন্নিবিষ্ট কৰা হৈছিল। এই পৰিৱৰ্তনৰ কাৰণ আৱিষ্কাৰ কৰাটো

কঠিন নহয় বুলি মই ভাবো আৰু মই ইয়াক কি বুলি বিবেচনা কৰোঁ, সেয়া নিজৰ ভাষাত চমুকৈ উল্লেখ কৰিম।

দেশদ্ৰোহৰ আইন সম্পৰ্কে সৰ্বোচ্চ ভাৰতীয় ন্যায়াধিকৰণৰ শেহতীয়া বক্তব্য নিহাৰেণ্ডু দত্ত মজুমদাৰ বনাম দ্য কিং (1) গোচৰত পোৱা যায় যিটো বাৰে বাৰে উদ্ধৃত কৰা হৈছে য'ত মুখ্য ন্যায়াধীশ Gwyerয়ে কয় যে দেশদ্ৰোহ মূলতঃ ৰাজহুৱা বিশৃংখলতা বা ৰাজহুৱা বিশৃংখলতাৰ যুক্তিসংগত প্ৰত্যাশা বা সম্ভাৱনা আৰু " অভিযোগ কৰা কাৰ্য্য বা শব্দই হয় বিশৃংখলতাক উচটনি দিব লাগিব, নহয় যুক্তিবাদী মানুহক পতিয়ন নিয়াব লাগিব যে এইটোৱেই তেওঁলোকৰ উদ্দেশ্য বা প্ৰৱণতা। "

(1) [1942] F.C.R. 38.
615

এই মতামতৰ বাবে, বিজ্ঞ মুখ্য ন্যায়াধীশগৰাকীয়ে R. v. Sullivan (1) ত উল্লেখিত Fitzgerald J.-ৰ কিছুমান পৰ্যৱেক্ষণৰ ওপৰত নিৰ্ভৰ কৰিছিল, আৰু তেওঁ লগতে কৈছিল যে তেওঁ "সেই বিদ্বান ন্যায়াধীশৰ কথাবোৰ গ্ৰহণ কৰি সন্তুষ্ট যিবোৰ ফৌজদাৰী আইনৰ এই শাখাৰ সৈতে সম্পৰ্কিত প্ৰতিখন কিতাপত পোৱা যায়।" ইয়াত কোনো সন্দেহ নাই যে মুখ্য ন্যায়াধীশ Gwyerয়ে সেই গোচৰটোত যিখিনি কথা উল্লেখ কৰিছে, সেই কথাখিনিয়ে কেইবাজনো ন্যায়াধীশ আৰু লেখকৰ লগতে Sir James Stephenৰ মতামতকো প্ৰতিনিধিত্ব কৰে, যিজনৰ সন্দৰ্ভত ন্যায়াধীশ Cave যি দেশদ্ৰোহ সম্পৰ্কিত এটা গোচৰ JR. v. Burns(2)ত জুৰীৰ দায়িত্বত আছিল, কৈছিল :--

" কোনবোৰ কথা দেশদ্ৰোহীতামূলক হয় আৰু কোনবোৰ নহয় এই প্ৰশ্নটোৰ ওপৰত আইন, বিচাৰপীঠৰ আন ন্যায়াধীশসকলৰ তুলনাত ফৌজদাৰী আইন সম্পৰ্কে বিস্তৃত জ্ঞানৰ বাবে বহুলভাৱে স্বীকৃতিপ্ৰাপ্ত ন্যায়াধীশ ষ্টিফেন দ্বাৰা লিখা

এখন কিতাপত ভালদৰে ব্যাখ্যা কৰা হৈছে আৰু ৰাষ্ট্ৰদ্ৰোহৰ বিষয়ত তেওঁ যি কৈ গৈছে সেয়া আন ন্যায়াধীশসকলৰ ওচৰত দাখিল কৰা হৈছিল, যিসকলে কিছুদিনৰ পূৰ্বে  তেওঁৰ সৈতে অপৰাধ সংহিতাৰ খচৰা প্ৰস্তুত কৰাত নিয়োজিত হৈছিল আৰু তেওঁলোকৰ প্ৰতিবেদনৰ ভিত্তিত আয়ুক্তসকলে কয় যে ন্যায়াধীশ ষ্টিফেন-ৰ আইনৰ ব্যাখ্যাই ইয়াৰ বৰ্তমানৰ অৱস্থা সঠিকভাৱে প্ৰতিফলিত কৰে।"

মুখ্য ন্যায়াধীশ Gwyer ৰ এই ৰায় যথেষ্ট সময় ধৰি প্ৰভাৱশালী হৈ আছিল যদিও প্ৰিভি কাউন্সিলে (Privy Council) ভাৰতৰ প্ৰতিৰক্ষা নিয়মাৱলীৰ  অধীনৰ এটা গোচৰ ৰজা সম্ৰাট বনাম সধাশিৱ নাৰায়ণ ভালেৰাও (3) ত এইবুলি মত পোষণ কৰে যে মুখ্য ন্যায়াধীশ Gwyer ৰ সিদ্ধান্ত ভাৰতত প্ৰযোজ্য নহয় য'ত ভাৰতীয় দণ্ডবিধিৰ ধাৰা 124A ৰ অধীনৰ  অপৰাধ, উক্ত ধাৰাত ব্যৱহৃত শব্দৰ জৰিয়তে ব্যাখ্যা কৰিব লাগে। তেখেতসকলে আৰু কয় :--

"'দেশদ্ৰোহ' শব্দটো ধাৰা 124A অথবা নিয়মাৱলীত দেখা নাযায়; ধাৰা 124Aৰ প্ৰান্তীয় টোকা হিচাপেহে ইয়াৰ উল্লেখ আছে আৰু ই ধাৰাটোৰ কোনো কাৰ্য্যকৰী অংশ নহয়, বৰঞ্চ ই কেৱল ধাৰাটোত সংজ্ঞায়িত অপৰাধটো কি নামেৰে জনা যাব সেই নামটোহে প্ৰদান কৰে।

(1) [1868] 11 Cox c.c. 44. (2) [1886] 16 cox 855. (8) 74 I.A.
616

প্ৰান্তীয় টোকাটোৰ দ্বাৰা ধাৰাটোৰ বিষয়বস্তু সীমিত কৰাৰ কোনো ন্যায্যতা থাকিব নোৱাৰে। ইংলেণ্ডত দেশদ্ৰোহৰ কোনো বিধিবদ্ধ সংজ্ঞা নাই; ইয়াৰ অৰ্থ আৰু বিষয়বস্তু বহু সিদ্ধান্তত ব্যাখ্যা কৰা হৈছে, যিবোৰৰ  কিছুমানৰ কথা মুখ্য ন্যায়াধীশে উল্লেখ কৰিছে, কিন্তু এই সিদ্ধান্তবোৰ প্ৰাসংগিক নহয় যেতিয়া আপোনাৰ ওচৰত দেশদ্ৰোহ কাক  কয় তাৰ এক বিধিবদ্ধ সংজ্ঞা থাকে, যিটো বৰ্তমান আমাৰ হাতত থকা গোচৰটোৰ ক্ষেত্ৰত আছে ।

মহামহিম ন্যায়াধীশবৃন্দই  ধাৰা 124A অথবা  নিয়ম, কোনো এটাৰ ভাষাতে  এনেকুৱা একো বিচাৰি নাপালে  যিয়ে ইংগিত দিব পাৰে যে ‘ অভিযোগ কৰা কাৰ্য্য বা শব্দই হয় বিশৃংখলতাক উচটনি দিব লাগিব, নহয় যুক্তিবাদী মানুহক পতিয়ন নিয়াব লাগিব যে এইটোৱেই তেওঁলোকৰ উদ্দেশ্য বা প্ৰৱণতা। ’

সেয়েহে সংবিধানৰ প্ৰণয়ণকাৰীসকল নিশ্চয় এই দ্বিধাদ্বন্দ্বৰ সন্মুখীন হৈছিল যে 19 (2) অনুচ্ছেদত "দেশদ্ৰোহ" শব্দটো ব্যৱহাৰ কৰা উচিত হ'ব নে নাই  আৰু যদি  ইয়াক ব্যৱহাৰ কৰিব লাগে, ইয়াক কি অৰ্থত ব্যৱহাৰ কৰা হ'ব । এফালে তেওঁলোকৰ মনত নিশ্চয় অসংখ্য কৰ্তৃপক্ষই সমৰ্থন কৰা অতি ব্যাপকভাৱে গ্ৰহণযোগ্য মতামত আছিল যে দেশদ্ৰোহ মূলতঃ জনশান্তিৰ বিৰুদ্ধে অপৰাধ আৰু ই কোনোবা নহয় কোনোবা প্ৰকাৰে ৰাজহুৱা বিশৃংখলতাৰ সৈতে জড়িত; আৰু আনহাতে ন্যায়িক সমিতিৰ মতামত  আছিল যে ভাৰতীয় দণ্ডবিধিৰ সংজ্ঞা অনুসৰি দেশদ্ৰোহৰ দ্বাৰা বিশৃংখলতা উচটনি দিয়াৰ কোনো উদ্দেশ্য বা প্ৰৱণতা বুজাবই লাগিব বুলি ক’ব নোৱাৰি। এই পৰিস্থিতিত, এইটো আচৰিত নহয় যে তেওঁলোকে "দেশদ্ৰোহ" শব্দটো দফা (2)ত ব্যৱহাৰ নকৰাৰ সিদ্ধান্ত লৈছিল, বৰঞ্চ অধিক সাধাৰণ শব্দ ব্যৱহাৰ কৰিছিল যিয়ে দেশদ্ৰোহ আৰু আন সকলোবোৰ সামৰি লয়, যি  দেশদ্ৰোহক ইমান গুৰুতৰ অপৰাধ কৰি তোলে। এই  কথাত সন্দেহৰ কোনো অবকাশ  নাই  যে দেশদ্ৰোহে ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰে। সাধাৰণতে ৰাজহুৱা বিশৃংখলতাৰ মাধ্যমেৰেই যে ই ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰে, সেই  বিষয়েও  বিশিষ্ট ন্যায়াধীশ আৰু আইনবিদসকল একমত। গতিকে ৰাজহুৱা বিশৃংখলতা বা জনশান্তিৰ বিঘিনি ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰা বিষয় নহয় বুলি ধৰি লোৱাটো কঠিন।

এইক্ষেত্ৰত, ষ্টিফেনৰ দ্বাৰা প্ৰণীত ইংলেণ্ডৰ ফৌজদাৰী আইন (দ্বিতীয় খণ্ড, পৃষ্ঠা 242 আৰু 243)ৰ তলৰ অংশটো উদ্ধৃত কৰাটো অপ্ৰাসঙ্গিক নহ'ব :--

" কিন্তু প্ৰায়ে এনেকুৱা হয় যে জনশান্তি এনে অপৰাধৰ দ্বাৰা বিঘ্নিত হয় যিয়ে বৰ্তমানৰ ৰাজনৈতিক সংবিধানখনক উফৰাই পেলোৱাৰ প্ৰৱণতা নথকাকৈয়ে কম বেছি পৰিমাণে স্থানীয় অঞ্চলৰ ওপৰত চৰকাৰৰ কৰ্তৃত্বক কম বা কম সময়ৰ বাবে কাৰ্যতঃ উফৰাই পেলায়। 1832 চনত ব্ৰিষ্টলত হোৱা সামূহিক মাৰপিতৰ ঘটনা আৰু 1780 চনত গৰ্ডনত হোৱা সামূহিক মাৰপিতৰ ঘটনা এই ধৰণৰ উদাহৰণ। এনে ধৰণৰ বিদ্ৰোহ, সাধাৰণ সামূহিক মাৰপিতৰ ঘটনা আৰু বেআইনী সভাৰ মাজত কোনো নিৰ্দিষ্ট ৰেখা আঁকিব নোৱাৰি। ৰাজহুৱা অশান্তিৰ যুক্তিসংগত ভয়ৰ সৃষ্টি কৰা এখন উত্তাল সমাৱেশ আৰু এক পূৰ্ণাংগ গৃহযুদ্ধ মাজৰ পাৰ্থক্যটো, যি শতিকা ধৰি এখন ৰাষ্ট্ৰৰ ভাগ্য গঢ়ি তুলিব পাৰে, সেয়া মাথো মাত্ৰাৰ। বেআইনী সমাবেশ, সামূহিক মাৰপিতৰ ঘটনা, বিদ্ৰোহ, বিপ্লৱ, যুদ্ধ আৰোপ আদিবোৰ এনে অপৰাধ যিবোৰ ইটোৱে সিটোৰ লগত সোমাই পৰে, আৰু নিখুঁতভাৱে নিৰ্দিষ্ট সীমাৰেখাৰে চিহ্নিত কৰিব নোৱাৰি। এই সকলোবোৰৰ এটাই বৈশিষ্ট্যগত মিল আছে যে উল্লেখ কৰা প্ৰতিটো ক্ষেত্ৰতে, সভ্য সমাজ এখনৰ স্বাভাৱিক শান্তিৰ বাতাৱৰণ প্ৰকৃত শক্তিৰ ব্যৱহাৰৰ জৰিয়তে অথবা তাৰ প্ৰদৰ্শন আৰু ভাবুকিৰ জৰিয়তে বিঘ্নিত কৰা হয়।

ৰাজহুৱা শান্তিৰ বিৰুদ্ধে আন এটা শ্ৰেণীৰ অপৰাধ হ'ল সেইবোৰ য'ত কোনো প্ৰকৃত শক্তি ব্যৱহাৰ কৰা নহয় বা প্ৰদৰ্শন কৰা নহয়, কিন্তু য'ত ইয়াৰ সূত্ৰপাত ঘটোৱাৰ প্ৰৱণতা থকা পদক্ষেপ লোৱা হয়। এইবোৰ হ'ল গোপন সমাজ গঠন, দেশদ্ৰোহীতামূলক ষড়যন্ত্ৰ, অপবাদমূলক কথা বিয়পোৱা।

ৰাজ্যৰ আভ্যন্তৰীণ ৰাজহুৱা শান্তিৰ বিৰুদ্ধে কৰা সকলোধৰণৰ অপৰাধ এই দুই শিতানত সংবদ্ধ কৰিব পাৰি।"

এই পাঠাংশটোৱে দুটা বিষয় উল্লেখনীয় স্পষ্টতাৰে উলিয়াই আনিছে। ই প্ৰথমতে দেখুৱায় যে দেশদ্ৰোহ মূলতঃ ৰাজহুৱা শান্তিৰ বিৰুদ্ধে অপৰাধ আৰু দ্বিতীয়তে, বহলভাৱে ক'বলৈ গ'লে ৰাজহুৱা শান্তিৰ বিৰুদ্ধে দুটা শ্ৰেণীৰ অপৰাধ আছে :

(ক) যথেষ্ট সংখ্যক ব্যক্তি বা বৃহৎ ভৌগোলিক অঞ্চলৰ শান্তি আৰু শৃংখলাত প্ৰভাৱ পেলোৱা অশান্তিকে ধৰি হিংসামূলক অপৰাধ বা কাণ্ড, আৰু

618

(খ) তেনেবোৰ কাৰ্য্য যিবোৰ হিংসামূলক অপৰাধ বা কাণ্ড নহয়, কিন্তু হিংসাৰ সূত্ৰপাত ঘটোৱাৰ প্ৰৱণতা থাকে, যেনে দেশদ্ৰোহীতামূলক বক্তব্য, দেশদ্ৰোহীতামূলক ষড়যন্ত্ৰ ইত্যাদি।

এই দুয়োটা শ্ৰেণীৰ অপৰাধ এনেকুৱা যে নিয়ন্ত্ৰণ নকৰাকৈ ৰাখিলে এইবোৰে ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰিব বা ইয়াক উফৰাই পেলোৱাৰ প্ৰৱণতা থাকিব, আৰু মই আঙুলিয়াই দিবলৈ চেষ্টা কৰা মতৰ সপক্ষে ভালেখিনি কৰ্তৃত্বশীল মতামত আছে যিয়ে দৰ্শায় যে ৰাষ্ট্ৰদ্ৰোহক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ কাৰণ হ'ল ই ৰাষ্ট্ৰৰ শান্তি আৰু নিৰাপত্তাত গুৰুতৰ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা বহন কৰে । গতিকে নীতিগতভাৱে 19 নং অনুচ্ছেদৰ দফা (2)ত দেশদ্ৰোহৰ কথা উল্লেখ কৰি যিবোৰ বিষয় কম গুৰুতৰ নহয় আৰু যিবোৰৰ ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰাৰ সমান সম্ভাৱনা আছে সেইবোৰ বাদ দিয়াটো যুক্তিসংগত নহ'লহেঁতেন। দেখা যায় যে সংবিধানৰ প্ৰণয়নকাৰীসকলে যুক্তিসংগত পথটো বাঁচি লৈছিল আৰু অধিক সাধাৰণ আৰু মৌলিক শব্দ ব্যৱহাৰ কৰিছে যিবোৰ দেশদ্ৰোহৰ লগতে দেশদ্ৰোহৰ দৰেই ৰাষ্ট্ৰৰ নিৰাপত্তাৰ বাবে ক্ষতিকাৰক অন্যান্য বিষয়সমূহো সামৰি ল'বলৈ উপযুক্ত।

যদি আইনখনক মই পৰামৰ্শ দিয়াৰ দৰে চোৱা হয়, তেন্তে 7 (1) (c) ধাৰাটো 19 (2) অনুচ্ছেদৰ পৰিসৰৰ বাহিৰত বুলি ধৰাটো কঠিন। সেই দফাটোৱে স্পষ্টভাৱে উল্লেখ কৰিছে যে দফা (1) (a) ৰ কোনো কথাই ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰা বা উফৰাই পেলোৱাৰ প্ৰৱণতা থকা যিকোনো বিষয়ৰ সৈতে জড়িত যিকোনো বৰ্তমানৰ আইনৰ কাৰ্য্যকলাপত প্ৰভাৱ পেলাব নোৱাৰে। মই দেখুৱাবলৈ চেষ্টা কৰিছো যে ৰাজহুৱা বিশৃংখলতা আৰু জনসাধাৰণৰ মাজত শান্তিৰ বিঘ্নিয়ে ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰে আৰু যদিহে এই আইনখন এনে বিশৃংখলতা প্ৰতিৰোধৰ লক্ষ্যৰে কৰা এখন আইন হয়, তেন্তে ই সংবিধানৰ প্ৰয়োজনীয়তা পূৰণ কৰে। এইখিনিতে আৰু কোৱা বাহুল্য যে সংবিধানৰ 12 নং অনুচ্ছেদৰ অধীনত "ৰাষ্ট্ৰ" শব্দটোৰ সংজ্ঞা দিয়া হৈছে "ভাৰত চৰকাৰ আৰু সংসদ আৰু প্ৰতিখন ৰাজ্যৰ চৰকাৰ আৰু বিধানসভা আৰু ভাৰতৰ ভূখণ্ডৰ ভিতৰত বা ভাৰত চৰকাৰৰ নিয়ন্ত্ৰণত থকা সকলো স্থানীয় বা অন্যান্য কৰ্তৃপক্ষ" অন্তৰ্ভুক্ত কৰিবলৈ।

মই দেখিছোঁ যে বিবাদিত আইনখনৰ 20 নং ধাৰাত উল্লেখ আছে যে প্ৰাদেশিক চৰকাৰে অধিসূচনাৰ জৰিয়তে ঘোষণা কৰিব পাৰে যে অধিসূচনাত উল্লেখ কৰা প্ৰদেশখনৰ সমগ্ৰ বা যিকোনো অংশ বিপজ্জনকভাৱে অশান্ত অঞ্চল।

619

এই বিধানৰ আইনখনৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত কিছু প্ৰভাৱ আছে, আৰু ইয়াৰ পৰিসৰ বিবেচনা কৰোঁতে আমি ইয়াক উপেক্ষা কৰিব নোৱাৰো। ঘটনাক্ৰমে উল্লেখ কৰিব পাৰি যে আমাক জনোৱা হৈছে যে, এই ধাৰা অনুসৰি দিল্লী প্ৰদেশক "বিপজ্জনকভাৱে অশান্ত অঞ্চল" বুলি জাননী দিয়া হৈছে।

এইটো স্বীকাৰ কৰিব লাগিব যে বাক আৰু মত প্ৰকাশৰ স্বাধীনতা হৈছে সংবিধানৰ দ্বাৰা নাগৰিকৰ বাবে নিশ্চিত কৰা আটাইতকৈ মূল্যৱান অধিকাৰবোৰৰ ভিতৰত এটা আৰু ইয়াক আদালতে সজাগভাৱে সুৰক্ষিত কৰা উচিত। এইটোও স্বীকাৰ কৰিব লাগিব যে গণতান্ত্ৰিক চৰকাৰৰ সঠিক কাৰ্য্যকলাপৰ বাবে মুক্ত ৰাজনৈতিক আলোচনা অপৰিহাৰ্য, আৰু আধুনিক আইনবিদসকলৰ প্ৰৱণতা হৈছে চেঞ্চৰশ্বিপ কমোৱা, যদিও তেওঁলোক সকলো এই কথাত একমত যে "সংবাদ মাধ্যমৰ স্বাধীনতা"ক "নিয়ন্ত্ৰণহীন স্বাধীনতা "ৰ সৈতে বিভ্ৰান্ত কৰিব নালাগে। " কিন্তু সংবিধানে নিজেই বাক আৰু মত প্ৰকাশৰ স্বাধীনতা ব্যৱহাৰৰ বাবে কিছুমান সীমা নিৰ্ধাৰণ কৰিছে আৰু এই আদালতক কেৱল সেই সীমাৰ ভিতৰত কোনো বিশেষ গোচৰ আহিছে নে নাই সেয়া চাবলৈ আহ্বান জনোৱা হৈছে। মোৰ মতে, বিবাদিত আইনখন অনুচ্ছেদ 19 (2)ৰ দ্বাৰা সম্পূৰ্ণৰূপে ৰক্ষা কৰা হৈছে আৰু যদি ইয়াক সফলতাৰে প্ৰত্যাহ্বান জনাব নোৱাৰি, তেন্তে ইয়াত আবেদনকাৰীসকলে বিচৰা প্ৰতিকাৰটো প্ৰদান কৰাটো সম্ভৱ নহয়।

ইতিমধ্যে কোৱা হৈছে যে এই গোচৰত বিতৰ্কিত আদেশত উল্লেখ কৰা হৈছে যে সাপ্তাহিক কাকত Organizer এ ৰাজহুৱা আইন আৰু শৃংখলাৰ প্ৰতি ভাবুকি সৃষ্টি কৰা অতি আপত্তিজনক বিষয়বস্তু প্ৰকাশ কৰি আহিছে আৰু আবেদনকাৰীসকলৰ বিৰুদ্ধে যি ব্যৱস্থা ল'বলৈ প্ৰস্তাৱ দিয়া হৈছে, সেয়া "জনসাধাৰণৰ সুৰক্ষা বা ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বাবে ক্ষতিকাৰক কাৰ্য্যকলাপ প্ৰতিৰোধ বা প্ৰতিহত কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয়।" এই তথ্যসমূহৰ সমৰ্থনত মুখ্য আয়ুক্তৰ গৃহ সচিবে দাখিল কৰা শপতনামাত আন আন কথাৰ লগতে এই কথা উল্লেখ কৰা হৈছে যে প্ৰশ্ন উত্থাপিত হোৱা আদেশটো মুখ্য আয়ুক্তই কেন্দ্ৰীয় প্ৰেছ পৰামৰ্শদাতা সমিতিৰ সৈতে আলোচনা কৰি গৃহীত কৰিছিল, যিটো সৰ্বভাৰতীয় বাতৰি কাকত সম্পাদক সন্মিলন আৰু ইয়াত

কিছুমান আগশাৰীৰ কাকত যেনে দ্য হিন্দুস্তান টাইমছ, ষ্টেটছমেন আদিৰ প্ৰতিনিধিৰে গঠিত এটা স্বতন্ত্ৰ সংস্থা।

620

মোৰ মতে  ইয়াত কোনো সন্দেহ নাই যে মুখ্য আয়ুক্তই এই গোচৰত আইনৰ অধীনত যি পৰিসৰৰ ভিতৰত কাম কৰিবলৈ অনুমতি পাইছে, সেই  পৰিসৰৰ ভিতৰতে কাম কৰাৰ উদ্দেশ্য লৈ কাম কৰিছে,  আৰু আবেদনকাৰীয়ে দাবী কৰা সকাহ প্ৰদান কৰাটো এই আদালতৰ ক্ষমতাৰ বাহিৰত।

এই পৰিস্থিতিত মই আবেদনকাৰীসকলৰ আবেদন  খাৰিজ কৰিম।

প্ৰাৰ্থনা মঞ্জুৰ কৰা হ'ল।

আবেদনকাৰীৰ হকে:--গণপত ৰায়।

প্ৰতিবাদীৰ হকে:--পি.এ. মেহতা।

621

---

অনুবাদকঃ পাৰ্থ প্ৰতীম গোস্বামী

মুখ্য অনুবাদক , অনুবাদ  শাখা ,

গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”